# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-04-2024
**Time :** 13-40 Hrs.

# Assamese Midday Bulletin

## Headlines

১। সমগ্ৰ ৰাষ্ট্ৰই আজি ভাৰতীয় সংবিধানৰ প্ৰণেতা ড০ বি আৰ আম্বেদকাৰৰ ১৩৪ সংখ্যক জন্ম বাৰ্ষিকী উপলক্ষে নেতাগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে।

২। বিজেপিয়ে লোকসভা নিৰ্বাচনৰ বাবে সংকল্পপত্ৰ নামেৰে দলীয় ইস্তাহাৰ প্ৰকাশ কৰিছে।

৩। প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা  আৰু ভাৰতীয় সেনাই কান্ধৰ পৰা নিক্ষেপ কৰিব পৰা থলুৱাভাৱে বিকশিত টেংক বিধবংসী ক্ষেপনাস্ত্ৰ প্ৰণালীৰ পৰীক্ষা সফলতাৰে সম্পূৰ্ণ কৰিছে।

৪। বিদেশ মন্ত্ৰালয়ে ইজৰাইল আৰু ইৰাণৰ মাজৰ বৰ্ধিত উত্তেজনাক লৈ উদ্বেগ প্ৰকাশ কৰিছে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতা নাইট ৰাইডাৰ্ছ-লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হোৱাৰ বিপৰীতে চেন্নাই ছুপাৰ কিংছ- মুম্বাই ইণ্ডিয়ানছৰ সন্মুখীন হ'ব।

০০০০

সমগ্ৰ ৰাষ্ট্ৰই আজি ভাৰতীয় সংবিধানৰ প্ৰণেতা ড০ বি আৰ আম্বেদকাৰৰ ১৩৪ সংখ্যক জন্ম বাৰ্ষিকী উপলক্ষে নেতাগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। এই উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপৰাষ্ট্ৰপতি জগদীপ ধনখড়, আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে
সংসদভৱন চৌহদত থকা আম্বেদকাৰৰ মূৰ্তিত পুষ্পাৰ্ঘ্য নিবেদন কৰে। ৰাষ্ট্ৰপতি, উপৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে ড০ বি আৰ আম্বেদকাৰৰ জন্ম বাৰ্ষিকী উপলক্ষে দেশবাসীক ওলগ জনাইছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুই তেওঁৰ বাৰ্তাত কয় যে, সামাজিক পৰিৱৰ্তনৰ হোতা আৰু বহুমুখী ব্যক্তিত্বৰ ধনী বাবাছাহেব আম্বেদকাৰে এগৰাকী ন্যায়বিদ, শিক্ষাবিদ, অৰ্থনীতিবিদ, সমাজ সংস্কাৰক আৰু ৰাজনৈতিক নেতা হিচাপে অভূতপূৰ্ব অৱদান আগবঢ়াই থৈ গৈছে। তেওঁ কয় যে, সাংবিধানিক ব্যৱস্থাৰ প্ৰতি তেওঁৰ বিশ্বাস আজিও ভাৰতীয় গণতন্ত্ৰ আৰু সুশাসনৰ ভেটিৰূপে পৰিগণিত হৈ আছে।  ড০ আম্বেদকাৰে সমতাপূৰ্ণ সমাজ প্ৰতিষ্ঠা কৰাৰ বাবে নিজৰ জীৱন উৎসৰ্গা কৰিছিল আৰু গোটেই জীৱন ধৰি দলিত সকলৰ উন্নয়ন হকে সংঘৰ্ষ কৰিছিল

বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। শ্ৰীমতী মুৰ্মুৰে লগতে ড০ আম্বেদকাৰৰ আদৰ্শৰাজী গ্ৰহণ কৰি দেশৰ সৰ্বাত্মক উন্নয়নৰ বাবে সমূহীয়াভাৱে কাম কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে নিজৰ বাৰ্তাত কয় যে, ভাৰতবৰ্ষৰ মহান সন্তান ড০ আম্বেদকাৰ অকল ভাৰতীয় সংবিধানৰ প্ৰণেতাই নাছিল বৰং সামাজিক ন্যায়ৰো সমৰ্থক আছিল। তেওঁ কয় যে, সামাজিক বৈষম্য আৰু অসমতা দূৰ কৰাৰ বাবে আম্বেদকাৰে চলোৱা অক্লান্ত প্ৰচেষ্টাই প্ৰজন্ম প্ৰজন্ম ধৰি জনসাধাৰণক অনুপ্ৰেৰণা যোগাই যাব। আম্বেদকাৰে আইনৰ শাসন, জনসাধাৰণৰ স্বতন্ত্ৰতা, লিংগ সমতা আৰু উপান্ত শ্ৰেণীসমূহৰ সবলীকৰণৰ প্ৰসাৰত সহায়ক হোৱা সাংবিধানিক পৰিকাঠামোৰ জৰিয়তে এখন সমতাবাদী ভাৰতবৰ্ষ গঢ়াৰ বাবে সামাজিক পৰিৰৰ্তনৰ নেতৃত্ব বহন কৰিছিল বুলি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে ড° আম্বেদকাৰৰ আদৰ্শৰাজী অনুসৰণ কৰিবলৈ আৰু নেতাগৰাকীৰ ন্যায় আৰু সমতাপূৰ্ণ সমাজৰ সপোন বাস্তৱায়িত কৰাৰ বাবে কাম কৰিবলৈ জনসাধাৰণক আহ্বান জনায়।

প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ বাৰ্তাত কয় যে, ড° আম্বেদকাৰৰ দৃষ্টিভংগী প্ৰসাৰৰ বাবেই নতুন ভাৰতৰ প্ৰতিচ্ছবি পূৰ্বৰ তুলনাত সুকীয়া হৈছে। তেওঁ কয় যে, আম্বেদকাৰৰ দৃষ্টিভংগীয়ে দেশৰ উন্নয়নৰ বাবে অনুপ্ৰেৰণাৰ উৎসৰূপে পৰিগণিত হৈছে। মেক ইন ইণ্ডিয়া, স্মাৰ্ট ছিটি মিছন, মুদ্ৰা যোজনা, ষ্টাৰ্ট আপ ইণ্ডিয়া আৰু ষ্টেণ্ড আপ ইণ্ডিয়াকে ধৰি বৰ্তমানৰ কেইবাটাও উদ্যমে আম্বেদকাৰৰ সৰ্বাত্মক উন্নয়নৰ দৃষ্টিভংগী আগুৱাই নিছে আৰু দেশৰ যুৱ উদ্ভাৱক আৰু উদ্যমীসকলক উৎসাহ যোগাইছে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে।

০০০০

বিজেপিয়ে লোকসভা নিৰ্বাচনৰ বাবে সংকল্পপত্ৰ নামেৰে দলীয় ইস্তাহাৰ প্ৰকাশ কৰিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা আৰু জ্যেষ্ঠ নেতা ৰাজনাথ সিঙৰ উপস্থিতিত আজি নতুন দিল্লীস্থিত দলৰ মুখ্য কাৰ্যালয়ত এই ইস্তাহাৰ জাৰি কৰা হয়। ইস্তাহাৰত দলে উমৈহতীয়া দেৱানি বিধি, এখন ৰাষ্ট্ৰ-এটা নিৰ্বাচন আৰু একক নিৰ্বাচন তালিকাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। দলে লগতে প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ অন্ন যোজনাৰ অধীনত পৰৱৰ্তী ৫ বছৰৰ বাবে বিনামুলীয়া ৰেচন যোগান ব্যৱস্থা অব্যাহত ৰখাৰ আৰু জ্যেষ্ঠ নাগৰিকসকলক সামৰি লোৱাৰ বাবে আয়ুষ্মান ভাৰত যোজনাৰ সম্প্ৰসাৰণৰ প্ৰতিশ্ৰুতি দিছে। সংকল্পপত্ৰত সৱলীকৰণৰ জৰিয়তে ৩ কোটি মহিলাক লাখপতি বাইদেউৰূপে গঢ়ি তোলা আৰু প্ৰধানমন্ত্ৰী সূৰ্যঘৰ যোজনাৰে বিদ্যুৎ মাচুল শূন্য কৰাৰ প্ৰতিশ্ৰুতিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। দলে ভাৰতবৰ্ষক বিশ্বই তৃতীয় সৰ্ববৃহৎ অৰ্থব্যৱস্থা আৰু নিৰ্মাণ কেন্দ্ৰৰূপে গঢ়ি তোলাৰ প্ৰতিশ্ৰুতিও প্ৰদান কৰিছে।

নিৰ্বাচনী ইস্তাহাৰত বিজেপিয়ে দেশৰ প্ৰথম মানৱ মহাকাশ অভিযান গগনযান উৎক্ষেপন কৰা হ'ব বুলি প্ৰকাশ কৰিছে। দলে লগতে ভাৰতীয় মহাকাশ কেন্দ্ৰ বি এ এছ স্থাপন কৰা আৰু দেশৰ বাবে দ্বিতীয় উৎক্ষেপন চৌহদ কাৰ্যক্ষম কৰি তোলাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। দেশক সকলো ধৰণৰ বতৰৰ বাবে সাজু কৰি তোলা আৰু জলবায়ুৰ দিশৰ পৰা স্মাৰ্ট ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ বাবে মৌচম নামৰ ৰাষ্ট্ৰীয় বায়ুমণ্ডলীয় অভিযান আৰম্ভ কৰাৰ প্ৰতিশ্ৰুতি ইস্তাহাৰত অন্তৰ্ভুক্ত কৰা হৈছে।

উত্তৰ পূৰ্বাঞ্চলত শান্তি বৰ্তাই ৰখা সন্দৰ্ভত বিজেপিয়ে কৈছে যে দলে অশান্ত এলেকাসমূহৰ বিষয়সমূহ দূৰ কৰাৰ বাবে আৰু পৰ্যায়ক্ৰমে সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন প্ৰত্যাহাৰৰ বাবে চেষ্টা অব্যাহত ৰাখিব।

দলে লগতে নিৰন্তৰ প্ৰচেষ্টাৰ জৰিয়তে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ মাজৰ আন্তৰাজ্যিক সীমান্ত বিবাদ নিস্পত্তিৰ বাবে কাম কৰাৰ প্ৰতিশ্ৰুতি দিছে।

ইস্তাহাৰ মুকলি কৰাৰ পাছত দলৰ জ্যেষ্ঠ নেতা আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে সংকল্প পত্ৰই উন্নত ৰাষ্ট্ৰৰ ৪ টা শক্তিশালী স্তম্ভ যুৱ প্ৰজন্ম, মহিলা, খেতিয়ক আৰু দৰিদ্ৰসকলক সবল কৰি তোলাত সহায় কৰিব। তেওঁ কয় যে সংকল্পপত্ৰত মৰ্যাদাপূৰ্ণ জীৱন আৰু গুণগত জীৱনৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। দলে জ্যেষ্ঠ নাগৰিক আৰু তৃতীয় লিংগৰ লোকসকলক আয়ুষ্মান ভাৰত যোজনাৰ আওতালৈ অনাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে পূৰ্বৰ চৰকাৰসমূহৰ বাবে নগৰীকৰণ এটা প্ৰত্যাহ্বান আছিল কিন্তু বিজেপিৰ বাবে ই এটা সুযোগ। কাৰণ, ইয়াৰ ফলত মহানগৰ সমূহৰ সমীপত নতুন সৰু চহৰ গঢ়ি উঠিব। তেওঁ লগতে কয় যে, বিজেপিয়ে কেতিয়াও দেশৰ স্বাৰ্থৰ হ'কে ডাঙৰ আৰু কঠিন সিদ্ধান্ত গ্ৰহণ কৰিবলৈ কুণ্ঠাবোধ কৰা নাই।

০০০০

প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা ডি আৰ ডি অ' আৰু ভাৰতীয় সেনাই কান্ধৰ পৰা নিক্ষেপ কৰিব পৰা থলুৱাভাৱে বিকশিত টেংক বিধবংসী ক্ষেপনাস্ত্ৰ প্ৰণালীৰ পৰীক্ষা সফলতাৰে সম্পূৰ্ণ কৰিছে। ৰাজস্থানৰ পোখৰাণ ফায়াৰিং ৰেঞ্জত কালি এই পৰীক্ষা সম্পন্ন কৰা হয়। টেংক বিধবংসী এই ক্ষেপনাস্ত্ৰ নিশা আৰু দিন যিকোনো সময়ত ব্যৱহাৰ কৰিব পৰা যায়। ইয়াৰ সহায়ত অত্যাধুনিক যুদ্ধ টেংক ধবংস কৰিব পাৰে।

ক্ষেপনাস্ত্ৰ প্ৰণালীবিধৰ সফল পৰীক্ষণৰ বাবে ডি আৰ ডি অ আৰু সেনা বাহিনীক অভিনন্দন জনাই প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ইয়াক অত্যাধুনিক প্ৰযুক্তি আধাৰিত প্ৰণালীৰ বিকাশৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতাৰ দিশে লোৱা এটা গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি অভিহিত কৰিছে।

০০০০

বিদেশ মন্ত্ৰালয়ে ইজৰাইল আৰু ইৰাণৰ মাজৰ বৰ্ধিত উত্তেজনাক লৈ উদ্বেগ প্ৰকাশ কৰিছে। ইজৰাইল আৰু ইৰাণৰ মাজত শত্ৰুতা বৃদ্ধি পোৱাৰ ফলত অঞ্চলটোৰ শান্তি আৰু নিৰাপত্তাৰ প্ৰতি ভাবুকি কঢ়িয়াই অনাৰ বাবে দেশখন গুৰুতৰভাৱে উদ্বিগ্ন বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰে। মন্ত্ৰালয়ে কয় যে তেওঁলোকে পৰিস্থিতিৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখিছে আৰু অঞ্চলটোৰ দূতাবাসসমূহে ভাৰতীয় সম্প্ৰদায়ৰ সৈতে যোগাযোগ ৰক্ষা কৰি আছে। তাৎক্ষণিকভাৱে ডি এস্কেলেছনৰ আহ্বান জনাই মন্ত্ৰালয়ে অঞ্চলটোৰ নিৰাপত্তা আৰু স্থিতিশীলতা বৰ্তাই ৰখাত গুৰুত্ব আৰোপ কৰে। ইয়াৰ উপৰিও দুয়োখন ৰাষ্ট্ৰক হিংসাৰ পৰা আঁতৰি কূটনীতিৰ পথলৈ ঘূৰি আহিবলৈ আহ্বান জনায়।

০০০০

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলে দলীয় প্ৰাৰ্থীৰ হকে সমৰ্থন বিচাৰি জনসাধাৰণৰ কাষ চাপিছে। ভিন ভিন দলৰ তাৰকা প্ৰচাৰক সকলে দেশৰ বিভিন্ন স্থানত নিৰ্বাচনী সমাবেশ আৰু ৰোড শ্ব'ত অংশগ্ৰহণ কৰিছে। প্ৰথম পৰ্যায়ত অহা ১৯ এপ্ৰিলত ১৭খন ৰাজ্য আৰু ৪টা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ১০২টা সংসদীয় সমষ্টিৰ সমান্তৰালভাৱে ছিকিমৰ ৩২খন আৰু অৰুণাচল প্ৰদেশৰ ৬০ খন বিধানসভা আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দিনজোৰা সময়সূচীৰে কৰ্ণাটকলৈ যাব। তেওঁ বিয়লিৰ  ভাগত মহিশুৰত এখন নিৰ্বাচন সভাত ভাষণ দিব আৰু মাংগালুৰুত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব। মহিশুৰৰ নিৰ্বাচনী সভাত মহিশুৰ, চামাৰাজানগৰ, মন্দ্যা আৰু হাচান সংসদীয় সমষ্টিৰ দলীয় কৰ্মীসকলে ভাগ লব। শ্ৰীমোদীয়ে আজি মধ্য প্ৰদেশৰ নৰ্মদাপুৰম লোকসভা সমষ্টিৰ এখন নিৰ্বাচনী সভাতো অংশ ল'ব।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হব। কলকাতা নাইট ৰাইডাৰ্ছে বিয়লি চাৰে তিনি বজাত কলকাতাৰ  ইডেন গাৰ্ডেনছত হবলগীয়া প্ৰথমখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আনহাতে, সন্ধিয়া চাৰে সাত বজাত মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হবলগীয়া দ্বিতীয়খন খেলত চেন্নাই ছুপাৰ কিংছ- মুম্বাই ইণ্ডিয়ানছৰ সন্মুখীন হ'ব।

ৰাজস্থান ৰয়েলছে যোৱা নিশা চণ্ডীগড়ত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত পাঞ্জাব কিংছক ৩ উইকেটত পৰাস্ত কৰে। খেলখনত পাঞ্জাবে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেটৰ বিনিময়ত ১৪৭ ৰান কৰে। প্ৰত্যুত্তৰত ৰাজস্থান ৰয়েলছে ১৯ অভাৰ আৰু ৫টা বলত ৭টা উইকেট হেৰুৱাই ১৫২ ৰান কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ